# পাঠ্যক্ৰমগত ফলাফল
## অসমীয়া বিভাগ
### নগাঁও মহাবিদ্যালয়,নগাঁও,নগাঁও(অসম)

নিয়মানুগত্য বিদ্যায়তনিক ভাবে স্নাতক পৰ্য্যায়ত অসমীয়া বিষয়টিত অন্তৰ্ভুক্ত হৈছে কবিতা,নাটক,চুটিগল্প, উপন্যাস, প্ৰবন্ধ,সংস্কৃতি, বুৰঞ্জী, সাহিত্য ইত্যাদি, যিয়ে ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া সমাজখনৰ জীৱনসিদ্ধ আচাৰ-ব্যৱহাৰ, ৰীতি নীতি তথা ভাষা সাহিত্যৰ মূল উৎস আৰু বৰ্ণোজ্জ্বল ইতিহাসৰ সম্পৰ্কে জ্ঞান আহৰণ কৰাত সহায় কৰিব। বিষয়টি অধ্যয়নৰ যোগেদি অসমীয়া জাতিৰ স্বাভিমান যুক্ত আত্মশক্তিৰ পৰিচয় সম্বন্ধে অণ্বেষণ কৰিব পাৰিব।

| কাকত | পাঠ্যক্ৰম | ফলাফল |
|---|---|---|
| **ASM-HC-1016** | অসমীয়া সাহিত্যৰ বুৰঞ্জী | এই পাঠ্যৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া সাহিত্যৰ যুগ বিভাজন সম্পৰ্কত পণ্ডিতসকলৰ মতামত, উমৈহতীয়া সাহিত্যৰ ধাৰণা আৰু ইয়াৰ গুৰুত্বপূৰ্ণ নিদৰ্শন, প্ৰাক্শংকৰী আৰু শংকৰী যুগৰ প্ৰধান সাহিত্যিকসকলৰ ৰচনাৰ বৈশিষ্ট্য সম্পৰ্কে জানিব পাৰিব। |
| **ASM-HC-1026** | অসমীয়া সাহিত্যৰ বুৰঞ্জী | পূৰ্ববৰ্তী পাঠ্যৰ ধাৰাবাহিক স্বৰূপে প্ৰস্তুত কৰা এই পাঠ্যৰ অধ্যয়নৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক উত্তৰ শংকৰী যুগ, প্ৰাক্ অৰুনোদই যুগৰ পটভূমিৰ জ্ঞান লভাৰ লগে লগে সেই সেই সময়ছোৱাৰ গুৰুত্বপূৰ্ণ সাহিত্যিকৰ ৰচনাৰ সৈতে পৰিচিত হ'ব। |
| **ASM-HG/RC-1016** | অসমীয়া ভাষাৰ ইতিহাস | এই পাঠ্যত অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ ধাৰণা বিভিন্ন পাঠৰ জৰিয়তে দিয়া হৈছে। |
| **ASM-HC-2016** | ভাষাবিজ্ঞান পৰিচয় | এই পাঠ্যৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে ভাষা-বিজ্ঞানৰ আধাৰত ভাষা বিশ্লেষণৰ বিভিন্ন শাখা, স্তৰ আৰু ধৰণৰ লগতে ভাষা অধ্যয়নৰ ইতিহাসৰ সৈতে পৰিচিত হ'ব। |
| **ASM-HC-2026** | সাহিত্য-সমালোচনা | এই পাঠ্যই প্ৰাচ্য আৰু পাশ্চাত্য সাহিত্যতত্ত্বৰ কেতবোৰ চৰ্চিত দিশ নতুনকৈ চোৱাত ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিব। |
| **ASM-HG/RC-2016** | অসমীয়া সাহিত্যৰ ইতিহাস | এই পাঠ্যৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে প্ৰাক্শংকৰী যুগ, শংকৰী যুগ আৰু উত্তৰ শংকৰী যুগৰ সাহিত্যৰ পটভূমি আৰু বিশিষ্ট সাহিত্য কৃতিৰ ধাৰণা লাভ কৰিব। |
| **ASM-HC-3016** | অসমীয়া সাহিত্য-প্ৰৱেশ | অসমীয়া সাহিত্যৰ এনে কিছুসংখ্যক সৃজনীমূলক আৰু সমালোচনামূলক লেখা ইয়াত সন্নিবিষ্ট কৰা হৈছে, যিয়ে সাহিত্যৰ ৰসাস্বাদনৰ বাট ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মুকলি কৰিব । |
| **ASM-HC-3026** | অসমীয়া কবিতাৰ চানেকি | এই পাঠ্যই প্ৰাক্-শংকৰী, শংকৰী, ৰমন্যাসিক আৰু আধুনিক কাব্য/কবিতাৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলক পৰিচিত কৰাব। |
| **ASM-HC-3036** | অসমৰ সংস্কৃতি | এই পাঠ্যৰ জৰিয়তে অসমৰ সংস্কৃতিৰ লোকাচাৰ, ধৰ্মীয় পৰম্পৰা, উৎসৱ-পাৰ্বন, পৰিৱেশ্য কলা, স্থাপত্য-ভাস্কৰ্য-চিত্ৰকলাৰ জ্ঞা লভাৰ লগতে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ আভাস পাব। |

| | | |
|---|---|---|
| **ASM-HG/RC-3016** | অসমীয়া নাটক আৰু মঞ্চকলা | এই পাঠ্যৰ জৰিয়তে লোকনাট্য, প্ৰচেনিয়াম, বিকল্প মঞ্চৰ স্বৰূপ সম্পৰ্কে অৱগত হোৱাৰ লগতে মঞ্চ আৰু অভিনয়ৰ আনুষংগিক দিশসমূহৰ জ্ঞানো লাভ কৰিব। |
| **ASM-CC-3016** | প্ৰাচীন অসমীয়া সাহিত্য | এই পাঠ্যৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল প্ৰাচীন অসমীয়া সাহিত্যৰ গীত-পদ, কাব্য, নাট আৰু কথা সাহিত্যৰ বিষয়ে অবগত হ'ব পাৰিব। |
| **ASM-SE-3014** | ব্যৱহাৰিক অসমীয়া | অসমীয়া বিষয়ৰ জ্ঞানেৰে একোগৰাকী ছাত্ৰ-ছাত্ৰীৰ পৰৱৰ্তী জীৱনৰ বৃত্তিৰূপে গ্ৰহণ কৰিব পৰা বিশেষ বিষয়ৰ প্ৰাথমিক আৰু প্ৰায়োগিক জ্ঞান এই পাঠ্যত থাকিব। |
| **ASM-HC-4016** | তুলনামূলক ভাৰতীয় সাহিত্য | এই পাঠ্যৰ জৰিয়তে শিক্ষাৰ্থীসকলক তুলনামূলক সাহিত্যৰ পটভূমি আৰু পৰিচয়ৰ লগতে আধুনিক যুগৰ ভাৰতীয় সাহিত্যৰ লগ পৰিচয় কৰি দিয়া হ'ব। |
| **ASM-HC-4026** | অসমীয়া ভাষাৰ সমাহৰণঃ আৰ্য ভাষা আৰু আৰ্য-ভিন্ন ভাষা | এই পাঠ্যৰ জৰিয়তে সংস্কৃত, প্ৰাকৃত, বাংলা,ওড়িয়া আদি আৰ্যভাষাৰ সৈতে অসমীয়া ভাষাৰ সম্পৰ্ক নিৰূপণ কৰিব পৰা হ'ব । সেইদৰে অসমীয়া ভাষাত টাই-আহোম, বড়ো, ৰাভা, খাচী ইত্যাদি আৰ্য-ভিন্ন ভাষাৰ প্ৰভাৱ আৰু উপাদানৰ বিষয়ে ইয়াত আলোচনা কৰা হ'ব। |
| **ASM-HC-4036** | অসমীয়া গদ্য সাহিত্য | উদ্দেশ্য : ছাত্ৰ-ছাত্ৰীৰ মনত অসমীয়া গদ্য সাহিত্য সম্পৰ্কে স্পষ্ট ধাৰণা গঢ়ি তুলিবৰ বাবে শংকৰদেৱৰ নাটৰ গদ্যৰ পৰা বুৰঞ্জীৰ গদ্যলৈকে পাঠ ইয়াত সন্নিবিষ্ট কৰা হৈছে। |
| **ASM-HG/RC-4016** | অধুনিক অসমীয়া গীতি সাহিত্য | এই পাঠ্যৰ জৰিয়তে আধুনিক অসমীয়া গীতি সাহিত্যৰ বিভিন্ন পৰ্বৰ যুগমীয়া গীতৰ সৈতে ছাত্ৰ-ছাত্ৰীৰ পৰিচয় আৰু অন্তৰংগতা স্থাপন কৰাৰ কথা চিন্তা কৰা হৈছে। |
| **ASM-SE-4014** | সৃজনীমূলক সাহিত্য | এই পাঠ্যৰ জৰিয়তে কবিতা আৰু গল্প লিখাৰ প্ৰাথমিক আৰু ব্যৱহাৰিক জ্ঞান প্ৰদান কৰা হ'ব।) |
| **ASM-HC-5016** | অসমীয়া নাটক আৰু পৰিৱেশন শৈলী | এই পাঠৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া নাটকৰ ইতিহাসৰ ৰূপৰেখাৰ বিষয়ে অৱগত হোৱাৰ লগতে প্ৰতিনিধিত্বমূলক নাটক বিশেষৰ পৰিৱেশন শৈলীৰ বিষয়েও জানিব পাৰিব। |
| **ASM-HC-5026** | অসমীয়া ব্যাকৰণ | এই পাঠ্যত উচ্চ ব্যাকৰণৰ ৰীতি অনুযায়ী অসমীয়া ভাষাৰ বৈয়াকৰণিক বিশ্লেষণ কৰা হ'ব। |
| **ASM-HE-5026** | অসমীয়া ৰমন্যাসবাদী কবিতা | ঊনবিংশ শতিকাৰ শেহৰ ফালে অসমীয়া কবিতাত যি ৰমন্যাসিকতাৰ সূচনা হৈছিল, এই পাঠ্যৰ জৰিয়তে তাৰ বিভিন্ন পৰ্ব ছাত্ৰ ছাত্ৰীসকলে অনুধাৰন কৰিব পাৰিব। |
| **ASM-HE-5036** | শংকৰদেৱ | অসমীয়া সাহিত্যৰ যুগন্ধৰ প্ৰতিভা শংকৰদেৱৰ বৰগীত, কীৰ্তনঘোষা, কাব্য আৰু নাট সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলে জ্ঞান লাভ কৰিব। |

| | | |
|---|---|---|
| **ASM-RE/RG-5016** | শংকৰদেৱ | অসমীয়া সাহিত্যৰ যুগন্ধৰ প্ৰতিভা শংকৰদেৱৰ বৰগীত, কীৰ্তনঘোষা, কাব্য আৰু নাট সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলে জ্ঞান লাভ কৰিব। |
| **ASM-SE-5014** | আবৃতি কলা | এই পাঠ্যৰ জৰিয়তে কবিতা আবৃত্তিৰ তাত্ত্বিক আৰু প্ৰায়োগিক জ্ঞান প্ৰদানৰ প্ৰয়াস কৰা হ'ব। |
| **ASM-HC-6016** | অসমীয়া চুটিগল্প আৰু উপন্যাস | ছাত্ৰ-ছাত্ৰীসকলে এই পাঠ্যৰ জৰিয়তে অসমীয়া চুটিগল্প আৰু উপন্যাসৰ ধাৰা সম্পৰ্কে অৱহিত হোৱাৰ লগে লগে অসমীয়া ভাষাৰ গুৰুত্বপূৰ্ণ গল্প আৰু উপন্যাসৰ ৰসাস্বাদনৰ লগতে ইয়াৰ বিদ্যায়তনিক গুৰুত্ব উপলব্ধি কৰিব। |
| **ASM-HC-6016** | অসমীয়া লিপিৰ ইতিহাস | এই পাঠ্যৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া লিপিৰ ইতিহাসৰ আভাস পোৱাৰ লগতে অসমৰ শিলালিপি, অসমৰ তাম্ৰলিপি সম্পৰ্কেও জ্ঞান লাভ কৰিব। |
| **ASM-HE-6016** | লক্ষ্মীনাথ বেজবৰুৱা | এই পাঠ্যৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সৃষ্টিশীল আৰু চিন্তামূলক লেখাৰ আভাস পাব। |
| **ASM-HE-6056** | প্ৰকল্প | এই প্ৰকল্পৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলে গৱেষণা সম্পৰ্কে জ্ঞান আহৰণ কৰাৰ সুবিধা লাভ কৰিব। |
| **ASM-RE/RG-6016** | ছন্দ আৰু আলংকাৰ | এই পাঠ্যৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক অসমীয়াত ব্যৱহৃত ছন্দ আৰু অলংকাৰৰ তাত্ত্বিক জ্ঞান প্ৰদানৰ প্ৰয়াস কৰা হৈছে। |
| **ASM-SE-6014** | অসমীয়া আখৰ-জোঁটনি | অসমীয়া ভাষা বৃত্তিগতভাৱে ব্যৱহাৰ কৰিবলৈ শুদ্ধ আখৰ-জোঁটনিৰ জ্ঞান অপৰিহাৰ্য। এই পাঠ্যত অসমীয়া আখৰ-জোঁটনিৰ নিয়ম আৰু কৌশল সম্পৰ্কীয় জ্ঞান সন্নিবিষ্ট হৈছে। |

# Department of Assamese
# Programme Outcome

নিয়মানুগত্য বিদ্যায়তনিক ভাবে স্নাতক পৰ্য্যায়ত অসমীয়া বিষয়টিত অন্তৰ্ভূক্ত হৈছে অসমীয়া কবিতা, নাটক, চুটিগল্প, উপন্যাস, প্ৰবন্ধ, সংস্কৃতি, বুৰঞ্জী, সাহিত্য ইত্যাদি ; যিয়ে ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া সমাজখনৰ জীৱনসিদ্ধ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি তথা ভাষা-সাহিত্যৰ মূল উৎস আৰু বৰ্ণোজ্বল ইতিহাস সম্পৰ্কে জ্ঞান আহৰণ কৰাত সহায় কৰিব। বিষয়টি অধ্যয়নৰ যোগেদি অসমীয়া জাতিৰ স্বাভিমানযুক্ত আত্মশক্তিৰ পৰিচয় সম্বন্ধে অন্বেষণ কৰিব পাৰিব।

অসমখন বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলন ভূমি। বৰ্ণাঢ্য জাতি-জনগোষ্ঠীৰ শাখা-প্ৰশাখা, ভাষা-উপভাষা, ধৰ্মীয় বিশ্বাস পৰম্পৰাৰে ঋদ্ধ অসমৰ জনগাঁথনিত তেওঁলোকৰ প্ৰভাৱ ইত্যাদিয়ে যোগোৱা বৰঙনি আৰু তাৰ অধ্যয়নে অসমৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক , ধৰ্মীয় আদি চেতনাৰ প্ৰবাহমান ধাৰাক তুলি ধৰাৰো বিনম্ৰ প্ৰয়াস ইয়াত বিদ্যামান।

অসমীয়া কবিতা, নাটক, গল্প – উপন্যাস আদিৰ দীঘলীয়া ইতিহাস আছে । খ্ৰীষ্টীয় দশম – একাদশ শতিকাৰ পৰা আৰম্ভ হোৱা এই ইতিহাসক প্ৰাচীন বা আদি যুগ, মধ্যযুগ আৰু আধুনিক যুগ বুলি শ্ৰেণীবিভাজন কৰি যুগভিত্তিক অসমীয়া ভাষা-সাহিত্যৰ সুকীয়া পটভূমি বৈশিষ্ট্য আৰু ইয়াৰ শাখা-প্ৰশাখাবোৰৰ বিষয়ে ছাত্ৰ-ছাত্ৰী সকলে জানিব পাৰিব।

তদুপৰি অসমৰ লোক সংস্কৃতি আৰু ইয়াৰ শ্ৰেণী-বিভাজনৰ অধ্যয়নে অসমৰ লোক – জীৱন পৰম্পৰা তথা লোক সাহিত্য সম্পৰ্কে ধৰণা স্পষ্ট কৰাত ছাত্ৰ-ছাত্ৰী সকলক সহায় কৰিব। আইনাম, বিয়ানাম, সাধুকথা, ফকৰা-যোজনা , ডাকৰ বচন, লোকবিশ্বাস, লোক ৰীতি আৰু লোক সম্পদ আদি অধ্যয়নৰ যোগেদি অসমীয়া জাতিৰ শিপা আৰু সংস্কৃতি সম্পৰ্কে পৰিচয় হ'ব পাৰিব। যিয়ে তেওঁলোকক অসমীয়া জাতিৰ তথা অসমীয়া সমাজ সম্পৰ্কে সময় সাপেক্ষে জ্ঞান দান কৰাত সহায় কৰিব।